No. of Printed Pages—3 **79 N (SS)**

[22 HKPD3SN-23F]

M.A 3rd Semester (New) Exam. 2022 (W)

ASSAMESE

[MAS 09]

(সাহিত্য সমালোচনা)

Full Marks : 70/80

Time : 3 hours

The figures in the right-hand margin indicate marks.

(২০২০ চনৰ পিছত নামভর্ত্তি কৰা শিক্ষার্থী সকলে কেৱল Q.No. 1 ৰ পৰা Q.No. 4 লৈ হে উত্তৰ কৰিব)

1. তলৰ যিকোনো *পাঁচটা* প্রশ্নৰ উত্তৰ লিখক (প্রতিটো প্রায় ৫০ শব্দৰ ভিতৰত) ঃ $2 \times 5 = 10$

(*a*) আনন্দবর্ধনে তেওঁৰ কোনখন গ্রন্থত ধ্বনিৰ সুসংবদ্ধ ৰূপটোৰ বিষয়ে আলোচনা আগবঢ়াইছে ? আনন্দবর্ধনৰ এই গ্রন্থ সন্দর্ভত অভিনৱগুপ্তই ৰচনা কৰা টীকাৰ নাম উল্লেখ কৰক ।

(*b*) ৰীতি সিদ্ধান্তৰ প্রৱর্তক হিচাপে কাক অভিহিত কৰা হয় ? প্রধান তিনিপ্রকাৰ ৰীতিৰ নাম উল্লেখ কৰক ।

(*c*) দ্বৈতবাদৰ যিকোনো দুগৰাকী প্রচাৰকৰ নাম উল্লেখ কৰক । শংকৰাচার্যক অদ্বৈতবাদী সিদ্ধান্তৰ প্রবক্তা বুলিব পাৰি নে নোৱাৰি ?

(*d*) খণ্ডকাব্য বুলিলে কি বুজে ? এটা উদাহৰণসহ বুজাই লিখক ।

(*e*) চুটিগল্প আৰু নাটকৰ মাজৰ যিকোনো দুটা সাদৃশ্য উল্লেখ কৰক ।

(*f*) পৰম্পৰাগত ধাৰণা অনুসৰি সমালোচনাই মূলতঃ কেইটা কার্য সাধন কৰে আৰু কি কি ?

2. তলৰ যিকোনো *চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১০০ শব্দৰ ভিতৰত) ঃ $3 \times 4 = 12$

(a) যিকোনো এটি ৰসৰ বিষয়ে উদাহৰণসহ আলোচনা আগবঢ়াওক ।

(b) 'বক্ৰোক্তিঃ কাব্যজীৱিতম্'– কথাষাৰৰ তাৎপর্য ব্যাখ্যা কৰক ।

(c) দেশীবাদৰ কেইটিমান বৈশিষ্ট্য উল্লেখ কৰক ।

(d) উপন্যাসত চৰিত্ৰৰ ভূমিকা ব্যাখ্যা কৰি এটি নিবন্ধ যুগুত কৰক ।

(e) উত্তৰ ঔপনিৱেশিকতাবাদ সম্বন্ধে এটি টোকা প্ৰস্তুত কৰক ।

3. তলৰ যিকোনো *চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২০০ শব্দৰ ভিতৰত) ঃ $6 \times 4 = 24$

(a) গুণ মানে কি ? বিভিন্ন প্ৰকাৰৰ গুণসমূহৰ বিষয়ে আলোচনা কৰক ।

(b) ট্ৰেজেডী সম্পর্কে এৰিষ্টটলে আগবঢ়োৱা সংজ্ঞাৰ আধাৰত ট্ৰেজেডীৰ বৈশিষ্ট্যসমূহ সম্পর্কে আলোচনা কৰক ।

(c) আত্মজীৱনীৰ শ্ৰেণীবিভাজন সম্বন্ধে নিজস্ব মন্তব্য আগবঢ়াই এটি নিবন্ধ যুগুত কৰক ।

(d) চুটিগল্পৰ যিকোনো দুটা উপাদানৰ বিষয়ে আলোচনা আগবঢ়াওক ।

(e) আধুনিকতাবাদী আন্দোলনৰ প্ৰধান প্ৰধান দিশ সমূহৰ ওপৰত আলোকপাত কৰি এটি বিশ্লেষণধর্মী টোকা যুগুত কৰক ।

4. তলৰ যিকোনো *তিনিটা* প্ৰশ্নৰ উত্তৰ লিখক(প্ৰতিটো প্ৰায় ২৫০ শব্দৰ ভিতৰত) ঃ $8 \times 3 = 24$

(a) ধ্বনিৰ স্বৰূপ ব্যাখ্যা কৰি কাব্যত ইয়াৰ প্ৰয়োজনীয়তাৰ বিষয়ে এটি আলোচনা আগবঢ়াওক ।

(b) অসমীয়া ভক্তি সাহিত্যৰ বিষয়ে এটি বিশ্লেষণ আগবঢ়াওক ।

(*c*) বস্তুনিষ্ঠ কবিতা বুলিলে কি বুজে ? বস্তুনিষ্ঠ কবিতাক কেইটা ভাগত ভগাব পাৰি ? প্ৰতিটো ভাগৰ বিষয়ে আলোচনা যুগুত কৰক ।

(*d*) সমালোচনা সাহিত্যিক সৃষ্টিশীল ৰচনা বুলি অভিহিত কৰিব পাৰিনে ? এই সন্দৰ্ভত আপোনাৰ যুক্তি দাঙি ধৰি সমালোচনা আৰু সমালোচক সম্পৰ্কে বহলাই লিখক ।

(৫ নং প্ৰশ্নটো কেৱল ২০২০ চনৰ আগতে নামভৰ্ত্তি কৰা শিক্ষাৰ্থীৰ বাবেহে)

5. তলৰ যিকোনো *এটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰায় ৩০০ টা শব্দৰ ভিতৰত) ঃ $10 \times 1 = 10$

(*a*) ভৰতৰ ৰসসূত্ৰটো বহলাই আলোচনা কৰক ।

(*b*) আত্মজীৱনীৰ সংজ্ঞা লিখি আত্মজীৱনীৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক ।

No. of Printed Pages— 5 **80 N (ASB3)/83 N (BBS3)**

[22 HKPD3SN-23F]

M.A 3rd Semester (New) Exam. 2022 (W)

ASSAMESE

[MAS-10 (Lit/Lan)]

(অসমীয়া ভক্তি সাহিত্য /ভাষা বিজ্ঞানৰ সাধাৰণ পৰিচয়)

Full Marks : 70/80

Time : 3 hours

The figures in the right-hand margin indicate marks.

(২০২০ চনৰ পিছত নামভর্ত্তি কৰা শিক্ষার্থী সকলে কেৱল Q.No. 1 ৰ পৰা Q.No. 4 লৈ হে উত্তৰ কৰিব)

80 N (ASB3)

[MAS-10 (Lit/Lan)]

(অসমীয়া ভক্তি সাহিত্য)

1. তলৰ যিকোনো *পাঁচটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০ শব্দৰ ভিতৰত) ঃ $2 \times 5 = 10$

(*a*) ভাৰতবর্ষক প্রাচীনতম গ্রন্থ কি ? চাৰিবেদৰ নাম লিখক ।

(*b*) ভট্টদেৱৰ প্রকৃত নাম কি আছিল ? তেওঁক কিয় গদ্য সাহিত্যৰ জনক আখ্যা দিয়া হয় ?

(*c*) নৱৰস বুলিলে কি বুজে ? 'কীর্ত্তন ঘোষা'ত নৱৰসৰ প্রকাশ ঘটিছেনে ?

(*d*) মাধৱ কন্দলীয়ে কাৰ পৃষ্ঠপোষকতাত 'ৰামায়ণ' অনুবাদ কৰিছিল ? মাধৱ কন্দলিৰ 'ৰামায়ণ'ৰ প্রাদেশিক গুৰুত্ব কি লিখক ।

(*e*) গীতি ৰামায়ণ কাৰ ৰচনা ? গীতি ৰমায়ণৰ মূল আধাৰ গ্রন্থ কি ?

(*f*) ৰুচিনাথ কন্দলিৰ পৰিচয় দাঙি ধৰক ।

(Turn Over)

2. তলৰ যিকোনো *চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১০০ শব্দৰ ভিতৰত) ঃ $3 \times 4 = 12$

(a) 'কথা ভাগৱতত প্ৰকাশিত 'অসমীয়া গদ্য পৰম্পৰা' সম্পৰ্কে টোকা লিখক ।

(b) অসমীয়া গদ্য সাহিত্যৰ ক্ৰমবিকাশত ভট্টদেৱৰ স্থান নিৰূপণ কৰক ।

(c) দুৰ্গাবৰৰ ৰামায়ণক গীতি ৰামায়ণ বোলাৰ কাৰণ কি ?

(d) গীতি ৰামায়ণ লোকজীৱনৰ প্ৰভাৱ কিদৰে পৰিছে লিখক ।

(e) অসমীয়া শাক্ত সাহিত্যৰ ভাগকেইটা আৰু কি কি ? প্ৰত্যেকৰে টোকা লিখক ।

3. তলৰ যিকোনো *চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২০০ শব্দৰ ভিতৰত) ঃ $6 \times 4 = 24$

(a) অসমৰ নৱবৈষ্ণৱ ধৰ্ম প্ৰথমে কোনে প্ৰৱৰ্তন কৰিছিল ? নৱবৈষ্ণৱ ধৰ্মমতৰ মূল লক্ষ্য কি আছিল আলোচনা কৰক ।

(b) ভক্তি সাহিত্যৰ প্ৰধান ধাৰাসমূহ কি কি ? প্ৰত্যেকৰে চমু আভাস দাঙি ধৰক ।

(c) শংকৰদেৱৰ 'কীৰ্তন'ৰ খণ্ডসমূহৰ পৰিচয় দাঙি ধৰক । অজামিল উপাখ্যানত প্ৰকাশ পোৱা ভক্তি তত্ত্বৰ এটি আলোচনা প্ৰস্তুত কৰক ।

(d) নামঘোষাত হৰিভক্তিৰ মাহাত্ম্য কিদৰে প্ৰকাশ পাইছে ? আলোচনা কৰক ।

(e) শ্ৰী শ্ৰী চণ্ডী গ্ৰন্থৰ বিষয়বস্তুৰ উৎস সম্পৰ্কে আলোচনা কৰি গ্ৰন্থখনৰ বিষয়বস্তুৰ পৰিচয় দিয়ক ।

4. তলৰ যিকোনো *তিনিটা* প্ৰশ্নৰ উত্তৰ লিখক(প্ৰতিটো প্ৰায় ২৫০ শব্দৰ ভিতৰত) ঃ $8 \times 3 = 24$

(a) ভক্তিৰ অৰ্থ ব্যাখ্যা কৰি নয়বিধা ভক্তিৰ স্বৰূপ সম্পৰ্কে আলোচনা কৰক ।

(b) শাক্ত ভক্তি সাহিত্য বুলিলে কোনবোৰ সাহিত্যক বুজা যায় ? আলোচনা কৰক ।

(*c*) শংকৰদেৱৰ সাহিত্যিক প্ৰতিভাৰ বিষয়ে বিশ্লেষণাত্মক আলোচনা আগবঢ়াওক ।

(*d*) 'নামঘোষা'ৰ দাৰ্শনিক ভিত্তি কি ? নামঘোষাৰ মাজেদি প্ৰতিফলিত হোৱা কৃষ্ণ ভক্তিৰ মাহাত্ম্য বিচাৰ কৰক ।

(5 নং প্ৰশ্নটো কেৱল ২০২০ চনৰ আগতে নামভৰ্ত্তি কৰা শিক্ষাৰ্থীৰ বাবেহে)

5. তলৰ যিকোনো *এটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰায় ৩০০ টা শব্দৰ ভিতৰত) ঃ $10 \times 1 = 10$

(*a*) ভট্টদেৱৰ জীৱন দৰ্শন, সাহিত্যিক প্ৰতিভাৰ আলোচনা আগবঢ়াওক ।

(*b*) দুৰ্গাবৰৰ ৰামায়ণৰ অৰণ্য কাণ্ডৰ কথাখিনি চমুকৈ আলোচনা কৰক ।

[22 HKPD3SN-23F]

M.A 3rd Semester (New) Exam. 2022 (W)

ASSAMESE

[MAS-11 (Lit/Lan)]

(পাশ্চাত্য সাহিত্যৰ নিৰ্বাচিত পাঠ /পালি–প্ৰাকৃত–অপভ্ৰংশ ভাষা পাঠ আৰু তুলনামূলক ব্যাকৰণ)

Full Marks : 70/80

Time : 3 hours

The figures in the right-hand margin indicate marks.

(২০২০ চনৰ পিছত নামভর্ত্তি কৰা শিক্ষার্থী সকলে কেৱল Q.No. 1 ৰ পৰা Q.No. 4 লৈ হে উত্তৰ কৰিব)

81 N (PSN3)

[MAS-11 (Lit/Lan)]

(পাশ্চাত্য সাহিত্যৰ নিৰ্বাচিত পাঠ)

1. তলৰ যিকোনো *পাঁচটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০ শব্দৰ ভিতৰত) ঃ $2 \times 5 = 10$

(*a*) ইউলিয়াম ব্লেকক কিয় একেসময়তে গভীৰভাৱে আধ্যাত্মিক আৰু বিদ্রোহী কবি হিচাপে জনা যায় ?

(*b*) 'এ গ্রামাৰিয়ানচ ফিউনাৰেল' কবিতাটোৰ বিষয়বস্তু সম্পর্কে লিখক ।

(*c*) টি এছ এলিয়টৰ সাহিত্যকৃতি সম্পর্কে লিখক ।

(*d*) 'অলিভাৰ টুইট' উপন্যাসখনৰ মূল বিষয়বস্তু কি ? লিখক ।

(*e*) মার্কিন সাহিত্যত আর্ণেষ্ট হেমিংৱেৰ স্থান নিৰূপণ কৰক ।

(*f*) শ্বেইক্সপীয়েৰৰ নাটকৰ দুটা প্রধান বৈশিষ্ট্য উল্লেখ কৰক ।

2. তলৰ যিকোনো *চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১৫০ শব্দৰ ভিতৰত) ঃ $3 \times 4 = 12$

(a) ৰোমাণ্টিক কবি হিচাপে উইলিয়াম ব্লেইকৰ মূল্যায়ণ আগবঢ়াওক ।

(b) বাস্তৱ জীৱনৰ প্ৰভাৱ জন কীটচ্‌ৰ কবিতাত কেনেদৰে পৰিছে আলোচনা কৰক ।

(c) এলিয়টৰ কাব্যত আধুনিক জীৱন আৰু ব্যক্তি সত্ত্বাৰ কেনেবোৰ দিশ প্ৰতিফলিত হৈছে ? আলোচনা কৰক ।

(d) ইংৰাজী নাট্য সাহিত্যৰ ক্ৰমবিকাশৰ দিশবোৰ আলোচনা কৰক ।

(e) 'দ্যা টেম্পেষ্ট'ৰ কাহিনীভাগ নিজৰ ভাষাত লিখক ।

3. তলৰ যিকোনো *চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২০০ শব্দৰ ভিতৰত) ঃ $6 \times 4 = 24$

(a) হেনৰিক ইবচেনক কিয় বাস্তৱবাদী নাট্যকাৰ বুলি কোৱা হয় ? বুজাই লিখক ।

(b) উইলিয়াম শ্বেইক্সপীয়েৰৰ সাহিত্যকৃতি সম্পৰ্কে আলোচনা আগবঢ়াওক ।

(c) আৰ্ণেষ্ট হেমিংৱেৰ উপন্যাসৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক ।

(d) চাৰ্লচ ডিকেঞ্চৰ উপন্যাসৰ চৰিত্ৰ চিত্ৰণ সম্পৰ্কে আলোচনা আগবঢ়াওক ।

(e) 'হুয়াট দ্য ঠাণ্ডাৰ চেইড' কবিতাটোৰ ৰচনাশৈলীৰ বিষয়ে আলোচনা কৰক ।

4. তলৰ যিকোনো *তিনিটা* প্ৰশ্নৰ উত্তৰ লিখক(প্ৰতিটো প্ৰায় ৩০০ শব্দৰ ভিতৰত) ঃ $8 \times 3 = 24$

(a) 'টিনটান এবে' কবিতাটোৰ আধাৰত কবি ৱৰ্ডছৱৰ্থৰ কাব্যচিন্তা সম্পৰ্কে আলোকপাত কৰক ।

(b) 'অড অন এ গ্ৰেচিয়ান আন' কবিতাটোৰ বিষয়ে আলোচনা কৰক ।

(c) 'অলিভাৰ টুইষ্ট' উপন্যাসখনক মহৎ উপন্যাস বুলিব পাৰিনে ? যুক্তি প্ৰদৰ্শন কৰক ।

(d) এখন সাৰ্থক উপন্যাস হিচাপে 'দ্য অল্ড মেন এণ্ড দ্য চী' ক বিচাৰ বিশ্লেষণ কৰক ।

(৫ নং প্ৰশ্নটো কেৱল ২০২০ চনৰ আগতে নামভৰ্ত্তি কৰা শিক্ষাৰ্থীৰ বাবেহে)

5. তলৰ যিকোনো *এটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰায় ৩০০ টা শব্দৰ ভিতৰত) ঃ $10 \times 1 = 10$

(a) আধুনিক যুগৰ ইংৰাজী কাব্য সাহিত্যৰ বিষয়ে আলোচনা কৰক ।

(b) হেনৰিক ইবচেনৰ নাট্য ৰীতিৰ বিষয়ে উদাহৰণসহ আলোচনা কৰক ।

[22 HKPD3SN-23F]

M.A 3rd Semester (New) Exam. 2022 (W)

ASSAMESE

[MAS-12 (Lit/Lan)]

(সংস্কৃত সাহিত্যৰ নিৰ্বাচিত পাঠ /ধ্বনিবিজ্ঞান আৰু অসমীয়া ধ্বনিতত্ত্ব)

Full Marks : 70/80

Time : 3 hours

The figures in the right-hand margin indicate marks.

(২০২০ চনৰ পিছত নামভর্ত্তি কৰা শিক্ষার্থী সকলে কেৱল Q.No. 1 ৰ পৰা Q.No. 4 লৈ হে উত্তৰ কৰিব)

82 N (SSN3)

[MAS-12 (Lit/Lan)]

(সংস্কৃত সাহিত্যৰ নিৰ্বাচিত পাঠ)

1. তলৰ যিকোনো *পাঁচটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০ শব্দৰ ভিতৰত) ঃ $2 \times 5 = 10$

(*a*) 'মহাভাৰত'ত কি কি বিষয় অন্তর্ভুক্ত হৈ আছে, চমুকৈ লিখক ।

(*b*) কালিদাসৰ পূৰ্বৱৰ্ত্তী নাট্যকাৰৰ বিষয়ে সংক্ষেপে লিখক ।

(*c*) 'চম্পূকাব্য'ৰ লক্ষণটো বুজাই লিখক ।

(*d*) 'আয়ুর্বেদ' শাস্ত্ৰৰ লক্ষণটো লিখক ।

(*e*) 'মৃচ্ছকটিক'ত উল্লেখিত 'ৰোহসেন'ৰ চৰিত্ৰটিৰ বিষয়ে চমুকৈ লিখক ।

(*f*) 'শাসনাৱলী' সমূহত প্ৰকাশিত অসমৰ সংস্কৃত চর্চাৰ বিষয়ে সংক্ষেপে লিখক ।

2. তলৰ যিকোনো *চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১০০ শব্দৰ ভিতৰত) ঃ $3 \times 4 = 12$

(a) কালিদাসে ৰচনা কৰা গ্ৰন্থ সমূহৰ বিষয়ে চমু পৰিচয় দি লিখক ।

(b) গদ্যকাৱ্যৰ বিভাগবোৰৰ বিষয়ে সংক্ষেপে লিখক ।

(c) 'লীলাৱতী' গ্ৰন্থখনৰ সংক্ষিপ্ত পৰিচয় মূলক টোকা লিখক ।

(d) 'অভিজ্ঞানশকুন্তলম্' নাটকখনৰ নামটোৰ তাৎপৰ্য্য লিখক ।

(e) প্ৰাক্ শঙ্কৰী যুগৰ সংস্কৃত চৰ্চাৰ এটি চমু টোকা লিখক ।

3. তলৰ যিকোনো *চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২০০ শব্দৰ ভিতৰত) ঃ $6 \times 4 = 24$

(a) ভৱভূতি বিৰচিত নাটক সমূহৰ বিষয়ে নিজৰ ভাষাত লিখক ।

(b) 'নলচম্পূ'ৰ বিষয়বস্তুৰ বিষয়ে লিখক ।

(c) 'শতকত্রয়' গ্ৰন্থখনৰ ওপৰত এটি টোকা প্ৰস্তুত কৰি লিখক ।

(d) সংস্কৃত বাস্তুশাস্ত্ৰৰ এটি পৰিচয় লিখক ।

(e) শূদ্ৰকৰ কাব্য প্ৰতিভাৰ বিষয়ে লিখক ।

4. তলৰ যিকোনো *তিনিটা* প্ৰশ্নৰ উত্তৰ লিখক(প্ৰতিটো প্ৰায় ২৫০ শব্দৰ ভিতৰত) ঃ $8 \times 3 = 24$

(a) 'ৰামায়ণ'ৰ ৰচনাকাল সম্বন্ধে বহলাই লিখক ।

(b) 'মহাপুৰাণ' সমূহৰ বিষয়ে বহলাই লিখক ।

(c) সংস্কৃত গল্প সাহিত্য ৰচনা কৰাৰ উদ্দেশ্য সমূহ আলোচনা কৰি ইয়াৰ বিভাগ সমূহৰ বিষয়ে লিখক ।

(d) 'ৰঘুবংশ'ত চিত্ৰিত হোৱা মনোমোহা প্ৰকৃতিৰ এটি চমু বিবৰণ লিখক ।

(৫ নং প্ৰশ্নটো কেৱল ২০২০ চনৰ আগতে নামভৰ্ত্তি কৰা শিক্ষাৰ্থীৰ বাবেহে)

5. তলৰ যিকোনো *এটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰায় ৩০০ টা শব্দৰ ভিতৰত) ঃ $10 \times 1 = 10$

(*a*) 'কুমাৰসম্ভৱম্ মহাকাব্যখনৰ বিষয়বস্তু সম্বন্ধে সবিশেষ লিখক ।

(*b*) সংস্কৃত গদ্যসাহিত্যৰ জগতত দণ্ডি আৰু তেওঁৰ প্ৰতিভা সম্পৰ্কে এটি টোকা যুগুত কৰি লিখক ।

83 N (BBS3)

[MAS-10 (Lit/Lan)]

(ভাষা বিজ্ঞানৰ সাধাৰণ পৰিচয়)

1. তলৰ যিকোনো *পাঁচটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০ শব্দৰ ভিতৰত) ঃ $2 \times 5 = 10$

(a) মনোভাষা বিজ্ঞানৰ তত্ত্ব দুটা কি কি ?

(b) উপাকৃতিৰ দুটা বৈশিষ্ট্য লিখক ।

(c) ভাষাৰ বৰ্গীকৰণ বুলিলে কি বুজে ? ভাষাৰ বিজ্ঞানসম্মত বৰ্গীকৰণ কেই প্ৰকাৰৰ ?

(d) ভাষা পৰিয়াল কাক বোলে ? আৰবী ভাষা কি পৰিয়ালৰ অন্তৰ্গত ?

(e) ভাৰতত প্ৰধানকৈ কি কি ভাষা পৰিয়ালৰ লোক বাস কৰে ?

(f) তিব্বত বৰ্মীয় ভাষাগোষ্ঠীৰ আদিম বাসস্থান কি আছিল ? তিব্বত–বৰ্মীয় ভাষাগোষ্ঠীৰ বিষয়ে গৱেষণা কৰা অসমৰ এজন প্ৰখ্যাত ভাষাবিদৰ নাম লিখক ।

2. তলৰ যিকোনো *চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১০০ শব্দৰ ভিতৰত) ঃ $3 \times 4 = 12$

(a) প্ৰায়োগিক ভাষাবিজ্ঞানৰ বিষয়ে এটা টোকা লিখক ।

(b) ভাষাবিজ্ঞান আৰু ব্যাকৰণৰ সম্পৰ্ক–পাৰ্থক্য কেনেধৰণৰ ?

(c) তুলনামূলক ভাষাবিজ্ঞান আৰু ভেদাত্মক ভাষাবিজ্ঞানৰ পাৰ্থক্যৰ বিষয়ে লিখক ।

(d) ভাৰতত থকা অষ্ট্ৰিক ভাষাগোষ্ঠীৰ শাখা–প্ৰশাখাৰ এটি ৰেখাচিত্ৰ অংকন কৰক ।

(e) নব্য ভাৰতীয় আৰ্যভাষাৰ পূৰ্বী শাখা আৰু বিদেশী শাখা বুলিলে কি বুজে লিখক ।

3. তলৰ যিকোনো *চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২০০ শব্দৰ ভিতৰত) ঃ $6 \times 4 = 24$

(a) ফার্ডিনাণ্ড দ্য চ্যচুৰৰ ভাষা–চিন্তা সম্পর্কে আলোচনা আগবঢ়াওক ।

(b) গুণগত দিশৰ পৰা সৰ্গৰ কেনেদৰে শ্ৰেণীবিভাগ কৰিব পাৰি আলোচনা কৰক ।

(c) ভাষা–প্ৰযুক্তিৰ অন্তৰ্গত স্বাভাৱিক ভাষা–প্ৰক্ৰিয়াৰ ব্যৱহাৰিক ক্ষেত্ৰসমূহৰ বিষয়ে আলোচনা কৰক ।

(d) ইন্ডো ইউৰোপীয় ভাষাৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্যসমূহৰ বিষয়ে লিখক ।

(e) মধ্য–ভাৰতীয় আৰ্যভাষা সম্পর্কে এটা আলোচনা দাঙি ধৰক ।

4. তলৰ যিকোনো *তিনিটা* প্ৰশ্নৰ উত্তৰ লিখক(প্ৰতিটো প্ৰায় ২৫০ শব্দৰ ভিতৰত) ঃ $8 \times 3 = 24$

(a) ৰূপান্তৰ সৃজন ব্যাকৰণ তত্ত্বৰ মূল কথাখিনি বুজাই লিখক ।

(b) ব্যঞ্জন ধ্বনিৰ শ্ৰেণীবিভাগ সমূহৰ বিষয়ে লিখক ।

(c) বাক্যতত্ত্বৰ পৰিসৰে কি কি বিষয় সামৰি লয় আলোচনা কৰক ।

(d) তুলনামূলক ভাষাতত্ত্বৰ ধাৰাৰ বিষয়ে আলোচনা দাঙি ধৰক ।

(5 নং প্ৰশ্নটো কেৱল ২০২০ চনৰ আগতে নামভর্ত্তি কৰা শিক্ষার্থীৰ বাবেহে)

5. তলৰ যিকোনো *এটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰায় ৩০০ টা শব্দৰ ভিতৰত) ঃ $10 \times 1 = 10$

(a) ভাষাবৈজ্ঞানিক অধ্যয়নৰ বাবে ভাষাৰ তথ্য সংগ্ৰহ কৰিবলৈ কেনেধৰণৰ পদ্ধতি অৱলম্বন কৰা হয় ?

(b) অবগীকৃত ভাষাৰ বিষয়ে এটা আলোচনা আগবঢ়াওক ।

84 N (PPA3)

[MAS-11 (Lit/Lan)]

(পালি–প্রাকৃত–অপভ্রংশ ভাষা পাঠ আৰু তুলনামূলক ব্যাকৰণ)

1. তলৰ যিকোনো *পাঁচটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০ শব্দৰ ভিতৰত) ঃ $2 \times 5 = 10$

(*a*) মাহাৰাষ্ট্ৰী প্ৰাকৃতৰ গুৰুত্ব চমুকৈ উল্লেখ কৰক ।

(*b*) অপভ্রংশ স্তৱৰ ভাগকেইটা আৰু কি কি ? পোনতে অপভ্রংশ নামটি কোনে কেতিয়া ব্যৱহাৰ কৰিছিল, লিখক ।

(*c*) 'কীৰ্তিলতা' কাব্যৰ ৰচকৰ পৰিচয় চমুকৈ দিয়ক ।

(*d*) 'দূত–কাব্য' বুলিলে কি বুজা যায় ? চমু আভাস দিয়ক ।

(*e*) সংস্কৃতৰ ঐ, ঔ ৰ পালি–প্ৰাকৃতত কিমানদূৰ ৰক্ষিত হৈছে উদাহৰণ দিয়ক ।

(*f*) সংস্কৃত ভাষাৰ 'ঋ' স্বৰবৰ্ণ কেইটা ? পৰবৰ্তী কালত এই বৰ্ণটিৰ হ্ৰাস–বৃদ্ধি সম্পৰ্কে উদাহৰণ দি উল্লেখ কৰক ।

2. তলৰ যিকোনো *চাৰিটাৰ* অসমীয়া ভাঙনি কৰি আঁচটনা শব্দটোৰ অৰ্থ লিখক (প্ৰতিটো প্ৰায় ১০০ শব্দৰ ভিতৰত) ঃ $3 \times 4 = 12$

(*a*) সুদুদ্দসং সুনিপুনং যত্থকামনি পাতিনং ।
চিত্তং ৰক্খেয়ম্ মেধাবী চিত্তং গুত্তং সুখাবহং ।।

(*b*) সো তুজ্ঝ কএ সুন্দৰী তহ ছীনো সুমহিলো হলিঅউত্তো ।
জহ সে মচ্ছৰি নীএ ৰি দোচ্চং জাআএ পড়িবন্ন ।।

(*c*) তক্কেমি তস্স দংসনেন কো ৰি হিঅতট্ঠিদো
জনো ভট্টিনা সমৰীদো ত্তি । জদো তং পেক্খিঅ
মুহুত্তঅং পইদিগন্তীৰো ৰি পজ্জস্সুঅমনো আসি ।

(*d*) 'পডি উট্ঠিয় সবিলক্খ সপজ্জিব সংঝসিয় ।
তং সিয় সচ্চ নিয়ংসন মুদ্ধহ বিৱলসিয় ।।
তং সংবৰি অনুসৰিয় পহিয় পাৱয়নমন ।
ফুডৰি নিত্ত কুপ্পাস ৰিলগ্গিয় দৰ সিহন ।।'

(*e*) তিহুঅন খত্তেহি কাঞি তসু কিত্তিৱল পসৰেই
অক্খৰ–খম্বাৰম্ভঞো মাঞ্চো বন্ধি ন দেই ।।

3. তলৰ যিকোনো *চাৰিটা* প্রশ্নৰ উত্তৰ লিখক (প্রতিটো প্রায় ২০০ শব্দৰ ভিতৰত) ঃ $6 \times 4 = 24$

(*a*) 'ধম্মপদ'ৰ চিত্ত বগ্গো' আৰু 'পণ্ডিত বগ্গো'ৰ বিষয়বস্তু সম্বন্ধে এটি বিশ্লেষণাত্মক টোকা প্রস্তুত কৰক ।

(*b*) 'গাহাসত্তসঈ'ত কিমান গাথা সন্নিৱিষ্ট হৈছে ? পাঠ্যৰ গাথাকেইটাৰ আধাৰত কাব্য সংকলনটিৰ কাব্যিক সৌন্দর্য বিচাৰ কৰক ।

(*c*) 'অভিজ্ঞান শকুন্তলম্' নাটকৰ পাঠত দিয়া দৃশ্যটোত ধীবৰ, ৰক্ষীদ্বয় আৰু নাগৰকৰ মুখত কি ভাষা দিয়া হৈছে ? সেই ভাষাৰ বৈশিষ্ট্যবোৰ আলোচনা কৰক ।

(*d*) পালি–প্রাকৃত–অপভ্রংশ ভাষাত শব্দবিভক্তি প্রয়োগৰ ক্ষেত্রত কি কি বৈশিষ্ট্য দেখা যায়, সেই বিষয়ে এক বিশ্লেষণ আগবঢ়াওক ।

(*e*) সংস্কৃত ধাতুৰ গণসমূহক কি কি শ্রেণীত ভগোৱা হৈছে, আলোচনা কৰক ।

4. তলৰ যিকোনো *তিনিটা* প্রশ্নৰ উত্তৰ লিখক(প্রতিটো প্রায় ২৫০ শব্দৰ ভিতৰত) ঃ $8 \times 3 = 24$

(*a*) মধ্য ভাৰতীয় আর্যভাষা বুলিলে কি বুজে ? এই ভাষাৰ উদ্ভৱ আৰু বিকাশ সম্পর্কে এটি নাতিদীর্ঘ প্রবন্ধ যুগুত কৰক ।

(*b*) পালিভাষাৰ শব্দৰূপ আৰু ধাতুৰূপৰ বিষয়ে আলোচনা কৰক ।

(*c*) সংস্কৃতৰ সংযুক্ত ব্যঞ্জন ধ্বনিসমূহ পালি–প্ৰাকৃত ভাষাত কি কি প্ৰক্ৰিয়াৰ জৰিয়তে কেনেদৰে পৰিবৰ্তিত হৈছে, বিচাৰ কৰক ।

(*d*) সংস্কৃত ভাষাৰ বচনৰ লগত পালি–প্ৰাকৃত–অপভ্ৰংশৰ বচনৰ এটি তুলনামূলক আলোচনা আগবঢ়াওক ।

(৫ নং প্ৰশ্নটো কেৱল ২০২০ চনৰ আগতে নামভৰ্ত্তি কৰা শিক্ষাৰ্থীৰ বাবেহে)

5. তলৰ যেকোনো *এটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰায় ৩০০ টা শব্দৰ ভিতৰত) ঃ $10 \times 1 = 10$

(*a*) সাহিত্যিক প্ৰাকৃত বুলিলে কি বুজে ? সাহিত্যিক প্ৰাকৃতকেইটাৰ নাম উল্লেক কৰি ইয়াৰ সাধাৰণ বৈশিষ্ট্যসমূহ বিশ্লেষণ কৰক ।

(*b*) 'কীৰ্তিলতা' কাব্যৰ ৰচকৰ এটি চমু পৰিচয় দাঙি ধৰি কাব্যখনৰ কাব্যিক সৌন্দৰ্য্য বিচাৰ কৰক ।

85 N (DAD3)

[MAS-12 (Lit/Lan)]

(ধ্বনিবিজ্ঞান আৰু অসমীয়া ধ্বনিতত্ত্ব)

1. তলৰ যিকোনো *পাঁচটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০ শব্দৰ ভিতৰত) ঃ $2 \times 5 = 10$

(a) শ্ৰুতিধ্বনিবিজ্ঞানক আৰু কি কি নামেৰে জনা যায় ?

(b) বাগিন্দ্ৰিয় কি ?

(c) ব্যঞ্জন ধ্বনিৰ কেইটামান বৈশিষ্ট্য উল্লেখ কৰক ।

(d) অন্তঃস্ফোট ধ্বনি বুলিলে কি বুজে ?

(e) সন্ধি কেইপ্ৰকাৰৰ আৰু কি কি ?

(f) ওঁঠৰ অৱস্থান অনুসৰি স্বৰধ্বনিৰ শ্ৰেণীবিভাজন কেনে ধৰণৰ ? $3 \times 4 = 12$

2. তলৰ যিকোনো *চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১০০ শব্দৰ ভিতৰত) ঃ

(a) ধ্বনিবিজ্ঞান সাধাৰণ পৰিচয় আগবঢ়াওক ।

(b) উপধ্বনি কি ?

(c) উচ্চাৰণৰ ফালৰ পৰা বাগধ্বনিসমূহৰ কেইটা ভাগত ভাগ কৰিব পাৰি ?

(d) অসমীয়া ভাষাৰ স্বৰধ্বনি আৰু আখৰমালা সম্পৰ্কে চমুকৈ লিখক ।

(e) বাংলা ভাষাৰ স্বৰধ্বনিৰ পৰিচয় আগবঢ়াওক ।

3. তলৰ যিকোনো *চাৰিটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২০০ শব্দৰ ভিতৰত) ঃ $6 \times 4 = 24$

(a) ধ্বনিবিজ্ঞানৰ ভাগসমূহ কি কি ? আলোচনা কৰক ।

(b) উচ্চাৰণৰ স্থান আৰু কৰণ অনুযায়ী ধ্বনিৰ প্ৰকাৰসমূহ কি কি ?

(c) উপহিত বৰ্ণ কি ? আলোচনা কৰক ।

(d) স্বৰধ্বনিৰ বিৰোধী প্ৰয়োগ বুলিলে কি বুজে ?

(e) ব্যঞ্জন ধ্বনিৰ শ্ৰেণীবিভাজন কৰক ।

4. তলৰ যিকোনো *তিনিটা* প্ৰশ্নৰ উত্তৰ লিখক(প্ৰতিটো প্ৰায় ২০০ শব্দৰ ভিতৰত) ঃ $8 \times 3 = 24$

(a) ধ্বনি আৰু বৰ্ণৰ মাজত থকা সম্পৰ্ক বিচাৰ কৰক ।

(b) অসমীয়া ভাষাৰ ব্যঞ্জন ধ্বনি আৰু আখৰ মালা সম্পৰ্কে এটি আলোচনা যুগুত কৰক ।

(c) অসমীয়া আৰু বাংলা ভাষাৰ ব্যঞ্জন ধ্বনিৰ মাজত থকা সাদৃশ্য আৰু বৈসাদৃশ্যসমূহ বিচাৰ কৰক ।

(d) আৰ্যভিন্ন ভাষা পৰিয়াল আৰু অসমীয়া ভাষাৰ ওপৰত তাৰ প্ৰভাৱ সম্পৰ্কে এটি আলোচনা আগবঢ়াওক ।

(৫ নং প্ৰশ্নটো কেৱল ২০২০ চনৰ আগতে নামভৰ্ত্তি কৰা শিক্ষাৰ্থীৰ বাবেহে)

5. তলৰ যিকোনো *এটা* প্ৰশ্নৰ উত্তৰ লিখক (প্ৰায় ৩০০ টা শব্দৰ ভিতৰত) ঃ $10 \times 1 = 10$

(a) আন্তঃৰাষ্ট্ৰীয় ধ্বনিলিপি সম্পৰ্কে এটি আলোচনা আগবঢ়াওক ।

(b) অসমীয়া আৰু বাংলা ভাষাৰ স্বৰধ্বনিৰ মাজত থকা সাদৃশ্য আৰু বৈসাদৃশ্য সম্পৰ্কে লিখক ।